# REGIONAL NEWS UNIT
AKASHVANI GUWAHATI
0000000000

**Date :** 21-10-2025
**Time :** 2125 Hrs

# *Assamese Night Bulletin*

::::::::::::::::::::

সমগ্ৰ ৰাজ্যতে আজি পোহৰৰ উৎসৱ দীপাৱলী উদ্‌যাপন কৰা হৈছে। মাটিৰ চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো দীপাৱলী পালন কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন ঠাইত কালিৰে পৰা কেইবাদিনীয়া কাৰ্যসূচীৰে কালী পূজা পালন কৰা হৈছে। দৰং জিলাৰ মঙলদৈ শালৈপাৰা কালী মন্দিৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত ৪০ সংখ্যক কালী পূজাৰ আজি সামৰণি পৰে। পূজাৰ লগত সংগতি ৰাখি চিত্ৰাংকন, উৰুলী আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত ৫ জনক বাক্সা জিলাৰ নিকাচীত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত সংঘটিত অপ্ৰীতিকৰ ঘটনাৰ সন্দৰ্ভত  স্থানীয় গাঁওবাসীৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে জিলাখনৰ কুৰেৰী লক্ষ্মী মন্দিৰত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি যোৱা ১৫ অক্টোবৰত জিলা কাৰাগাৰৰ সন্মুখত সংঘটিত ঘটনাত আহত দুজন লোকক চিকিৎসাৰ বাবে ২ লাখ টকাকৈ চেক্ প্ৰদান কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে দুয়োজন ব্যক্তিৰ উন্নত চিকিৎসাৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব বুলি আশ্বাস দিয়ে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে যোৱা ১৫ অক্টোবৰৰ ঘটনাক দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জুবিন গাৰ্গক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি কয়। শিল্পীগৰাকীৰ মৃত্যুৰ পাছত গুৱাহাটীৰ দীঘলীপুখুৰীৰ গছ কটা সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

***বাইট ঃ মুখ্যমন্ত্ৰী***

ooooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তা আৰু সহকাৰী তদন্তকাৰী বিষয়া তৰুণ গোৱেলে ছিংগাপুৰ আৰক্ষীৰ সৈতে আজি আলোচনাত মিলিত হৈ জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত যাৱতীয় তথ্য সংগ্ৰহ কৰে। ছিংগাপুৰ আৰক্ষীৰ সৈতে এছ আই টিৰ বিষয়া দুগৰাকীয়ে প্ৰায় ৩ ঘণ্টা আলোচনাত মিলিত হোৱাৰ পাছত আৰক্ষীয়ে এছ আই টিক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ৩ মাহৰ ভিতৰত ছিংগাপুৰ আৰক্ষীয়ে তদন্তৰ প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰকাশ কৰিছে। অসমৰ পৰা যোৱা এছ আই টিৰ বিষয়া দুগৰাকীয়ে ইতিমধ্যে জুবিন গাৰ্গ থকা হোটেলখনৰ লগতে দুৰ্ঘটনা সংঘটিত হোৱা স্থান পৰিদৰ্শন কৰিছে।

0000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অহা বছৰৰ ফেব্ৰুবাৰী-মাৰ্চ মাহৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগা শিক্ষাৰ্থীসকলৰ বাবে কাইলৈৰ পৰা অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু এই অনলাইন প্ৰক্ৰিয়া ২০ নৱেম্বৰত অন্ত পৰিব। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ বাবে অফলাইন প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা নাথাকিব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এখন নিৰ্দেশনা যোগে জানিবলৈ দিছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানৰ মুৰব্বীক নিৰ্দেশ দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ বাবে নিৰ্ধাৰিত মাছুল আদায় দিব লাগিব। অৱশ্যে পিতৃ-মাতৃৰ বছৰেকীয়া আয় ২ লাখ টকা তথা কম আয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ মাছুল চৰকাৰী নীতি অনুসৰি ৰেহাই দিয়া হ'ব।

0000000

কাৰ্বি আংলং জিলাৰ ডকমকাৰ হাবেৰাম ৰংফাৰ সোঁৱৰণী খেলপথাৰত পৰহিলৈৰ পৰা স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত শিশুকে ধৰি ১৮ বছৰৰ অনুৰ্ধৰ কিশোৰ-কিশোৰীসকলক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। ডিফুস্থিত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কক্ষত আয়োজিত এখন সংবাদমেলত জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক কাবান তেৰংপিয়ে এইকথা জানিবলৈ দিয়ে।

ইফালে, তামুলপুৰ বাণিজ্য মহাবিদ্যালয় খেলপথাৰত কাইলৈ মেগা স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। তামুলপুৰ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক হিতেশ চন্দ্ৰ কাকতিয়ে আজি বিয়লি এখন সংবাদমেলত প্ৰকাশ কৰা মতে, তামুলপুৰ জিল্য স্বাস্থ্য কমিটীৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কাইলৈ পুৱা চাৰে ৯ বজাৰ পৰা বিধানসভা সমষ্টিভিত্তিক এই স্বাস্থ্য মেলা আৰম্ভ হ'ব। স্বাস্থ্যমেলাত ১৮ বছৰ বয়সৰ তলৰ সকলো শিশু, কিশোৰ-কিশোৰীক ৫০ বিধ ৰোগৰ চিকিৎসা বিনামূলীয়াকৈ আগবঢ়োৱা হ'ব।

0000000

মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ফুটবল উপ সমিতিৰ তত্বাৱধানত জিলাৰ শিৰোদ বৰুৱা ষ্টেডিয়ামত আজি শিশুৰাম হাজৰিকা আৰু ডাঃ সতীশ দাস সোঁৱৰণী প্ৰাইজামানি এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ ফাইনেলত ডোমাল স্পৰ্টছ ক্লাৱে, বলবম ফুটবল ক্লাৱক ৪-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰমাকান্ত দেউৰীয়ে এই প্ৰতিযোগিতাৰ আৰম্ভ কৰে।

0000000

**সমাপ্ত**